

নোৱাৰিলোঁ। উদাস স্বৰেৰে সুধিলোঁ—“মোৰ কথা বাদ দিয়া; তুমি কি কৰিছা কোৱা।” “ককা! মই মনপুতি পঢ়িছোঁ। লকডাউনৰ বাবে কলেজলৈ কোনো অহা নাই। সেয়েহে লাইব্ৰেৰিয়ান ছাৰে মাতি নি শৰ্মা ছাৰৰ কাৰ্ডত কেইবাখনো ভাল ভাল কিতাপ দিছে। এইকেইখন পঢ়ি শেষ হ'লে হেনো আৰু দিব। গতিকে পঢ়িছোঁ।”

“পৰীক্ষাৰ পাছত কি কৰিবা?” মই তাইৰ মনটো জানিবলৈ চেষ্টা কৰিলোঁ।

“অ' এন জি ছি কলনিত দুটা টিউশ্যন ঠিক হৈছে।” ৰুণুমীয়ে ক'লে। “পৰীক্ষা শেষ হোৱাৰ লগে লগে সেই দুটা কৰিম। সেয়ে হ'লে ঘৰখনে কিছু সকাহ পাব। টেট পৰীক্ষাৰ বাবে সাজু হ'ম বুলি ভাবিছোঁ। লগতে মই আৰু মৌচুমীয়ে বেংক আৰু এ পি এছ ছি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাম। তাই মোক কিতাপ-পত্ৰ দি সহায় কৰিব।” বৰ আস্থাসহকাৰে একে উশাহতে কথাখিনি কৈ কিছুপৰ তাই ৰ'ল। আৰু তাৰ পাছত মই একো নমতা দেখি ডাঙৰ মানুহে বুজোৱাদি মোক বুজালে—“মই জানো ককা! তোমাৰ মনটো বেয়া। পিছে মন বেয়া কৰি লাভ নাই। ভগৱানে যি কৰে ভালৰ কাৰণেই কৰে, নহয় জানো? তুমি নাভাবিবা যে মোৰ পঢ়া ইমানতে শেষ হ'ল। চাকৰি-বাকৰি এটাত সোমাই ল'ব পাৰিলে, মই নিজৰ সিদ্ধান্ত নিজেই ল'ব পাৰিম আৰু তুমিতো আছাই। সঁচা কথা ক'বলৈ হ'লে মোৰেই কপাল ফুটা; তোমাৰ ঘৰত নাতিনী হৈ জন্ম ল'ব নোৱাৰিলোঁ আৰু এতিয়া তুমি তুলি ল'ব খোজোঁতেও ভাগ্যই সুবিধাটো নিদিলে।” মোক সান্ত্বনা দিবলৈ গহীন কথাখিনি ক'লে যদিও ৰুণুমীয়ে বোধহয় নিজকে চম্ভালিব নোৱাৰিলে। শেষৰ ফালে তাইৰ কথা-বতৰা থোকাথুকি হ'ল। সেয়েহে পাছত কথা পাতিম বুলি কৈ খৰধৰকৈ তাই ফোনটো কাটি দিলে।

অকলশৰে বাৰাণ্ডাত বহি পুৰণা কথাবোৰকে ভাবি থাকিলোঁ। সৰু ছোৱালীজনীৰ লগত যোৱা ডেৰ বছৰে গঢ়ি উঠা মধুৰ সম্পৰ্কৰ প্ৰতিটো কথা এটা এটাকৈ মনলৈ আহিল—প্ৰথম দিনা তাই কোৱা মিঠা মিঠা কথাবোৰ, ককা বুলি সম্বোধন কৰোঁতে মই পোৱা আনন্দৰ কথা, ভিডিঅ'ত দেখা সিহঁতৰ উৰুখা পঁজা ঘৰটোৰ কথা, দেউতাকে মাকৰ গালৈ দাখন দলি মাৰি দিওঁতে মাক-জীয়েকৰ ভীতিগ্ৰস্ত মুখখন আৰু গাঁৱৰ মানুহে নজনা-নুশুনাকৈ মোক লৈ তাইক অসন্মান কৰোঁতে তাই পোৱা অপমানৰ কথা। বোৱাৰীজনীৰ কোঠাৰপৰা ভাহি অহা ভূপেনদাৰ গীতৰ সুৰেও আজি মোক আমনি কৰিলে।

দুৰ্বল মানুহে যদি, জীৱনৰ কোবাল নদীত<br>
পাৰ হয় তোমাৰে সাহত, তুমি হেৰুৱাবানো কি?

কিবা এটা চিনি নোপোৱা শোকে মোৰ বুকুখন খুন্দা মাৰি ধৰিলে। জীৱনত কাহানিও এনে পৰাজয়ৰ সন্মুখীন হোৱা নাই। বয়স হ'লে মানুহ বেছি ভাবুক হয়। ঘৰৰ সকলোৱে কয় যে আজিকালি দিনক দিনে মই বেছি ভাবুক হৈ গৈ আছোঁ। আজিও হয়তো সেয়ে হ'ল। নিজকে সামৰিব নোৱাৰিলোঁ। মূৰটো আঁঠু দুটাৰ মাজত সুমুৱাই লৈ হুকহুকাই কান্দিলোঁ।



“ককা! মোৰ লগত খেলিবা?” বুলি উধাতু খাই দৌৰি ওচৰলৈ অহা দীপলিপে হঠাতে মোক সেই অৱস্থাত দেখা পাই থতমত খালে। “খেলিম মাজনী!” বুলি নিজৰ চকু দুটা মচি, মই তাইক বাঁওহাতখনেৰে সাবট মাৰি ধৰি ওচৰলৈ চপাই ল'লোঁ।

কি হ'ল একো নুবুজি তাই মোৰ মুখলৈ একেথৰে চাই থাকিল।

ঠিকনা ঃ C-104, Vicenza Highbreeze, Kalali Road, Vadodara-390012 (Gujrat), Ph. 9717225777


## বছৰেকীয়া গ্ৰাহকসকলৰ প্ৰতি এটি ঘোষণা

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰান্তিকৰ নতুন বছৰেকীয়া গ্ৰাহক হ'বলৈ বা গ্ৰাহক নৱীকৰণৰ বাবে এতিয়াৰপৰা online যোগেও পইচা পঠিয়াব পাৰিব। ইয়াৰ বাবে প্ৰান্তিকৰ HDFC বেংকৰ চানমাৰি শাখাৰ একাউণ্ট নম্বৰ 50200049269502, IFSC–HDFC 0000631 ব্যৱহাৰ কৰি পইচা জমা দিব পাৰিব। পইচা জমা দিয়াৰ লগে লগে আমাক নৱীকৰণৰ বাবে গ্ৰাহক নম্বৰ আৰু নতুন গ্ৰাহকৰ ক্ষেত্ৰত পিনক'ডসহ সম্পূৰ্ণ ঠিকনা আমাক e-mail (prantikasomiya@gmail.com) যোগে জনাব লাগিব। স্থানীয়ভাৱে প্ৰান্তিকৰ কাৰ্যালয়তো নগদ ধন বা চেকযোগেও বৰঙণি দিব পাৰিব।

বৰঙণিৰ নিৰিখ ঃ **ভাৰতৰ ভিতৰত আৰু বাংলাদেশ, নেপাল আৰু ভূটানৰ বাবে** ঃ এবছৰত ৬৫০ টকা, দুবছৰত ১২০০ টকা, আৰু তিনি বছৰত ১৭৫০ টকা।

**বিদেশৰ বাবে ঃ কানাডা, আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২৬৫০ টকা = **৩৩০০ টকা।**

**ইউৰোপ, এছিয়া আৰু আফ্ৰিকা ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২১৬০ টকা = **২৮১০ টকা।**

**প্ৰসন্ন শৰ্মা**, ব্যৱস্থাপক, প্ৰান্তিক